MSSV JOURNAL OF HUMANITIES AND SOCIAL SCIENCES
VOL. 1 NO. 1 [ISSN 2455-7706]

# অসমীয়া আৰু উড়িয়া ভাষাৰ লিংগভিত্তিক ভাষা ব্যৱহাৰৰ এক তুলনামূলক আলোচনা

লভিতা দত্ত
সহকাৰী অধ্যাপিকা,
অসমীয়া বিভাগ,
মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়, নগাঁও

**সংক্ষিপ্তসাৰ** ঃ মানৱ সমাজত থকা সামাজিক ভিন্নতাৰ বাবেই মানৱ সমাজত লিংগভিত্তিক ভাষা ব্যৱহাৰো আছে আৰু তাৰেই পৰিপ্ৰেক্ষিতত লিংগভিত্তিক ভাষা ব্যৱহাৰৰ অধ্যয়নৰ প্ৰাসংগিকতাও আহি পৰে। মূলতঃ শাৰীৰিক আৰু মানসিক পাৰ্থক্যৰ ওপৰত ভিত্তি কৰিয়েই ল'ৰা আৰু ছোৱালীৰ মাজত বহুতো সামাজিক ভিন্নতাও আহি পৰে। লিংগভেদে এনে সামাজিক ভিন্নতা আৰোপ কৰে আমাৰ সমাজখনেই। শাৰীৰিক আৰু মানসকি পাৰ্থক্য জন্মগত। কিন্তু লিংগৰ ওপৰত ভিত্তি কৰি বৰ্তী থকা সামাজিক পাৰ্থক্য বা ভিন্নতা সমাজ পাতি বাস কৰা মানুহেই সৃষ্টি কৰিছে বুলিব পাৰি। লিংগভেদ অনুসৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত যিদৰে ভিন্নতা আহি পৰে, সেইদৰে ভাষা ব্যৱহাৰতো লিংগভেদে প্ৰভাৱ পেলায়। ভাষা আহৰণৰ ক্ষমতাহে মানুহৰ জন্মগত, কিন্তু ভাষা মানুহৰ জন্মগতভাৱে আয়ত্বত থকা কলা নহয়। প্ৰত্যেকটো ভাষাই শিকাৰ পিছতহে আয়ত্বলৈ আহে আৰু সমাজেই আমাক ভাষাটো কেনেদৰে ব্যৱহাৰ কৰিব লাগিব, ভাষাৰ কেনে ৰূপ ব্যৱহাৰ কৰা উচিত অনুচিত ইত্যাদি কথা শিকায়। স্বাভাৱিকতেই সামাজিক ভিন্নতাৰ বাবেই নাৰী আৰু পুৰুষে ভাষা এটা আয়ত্ব কৰাৰ সময়ৰে পৰাই ইয়াৰ সুকীয়া সুকীয়া ৰূপ আয়ত্বলৈ আনে। একে মূলৰপৰা উদ্ভূত অসমীয়া আৰু উড়িয়া ভাষাৰ ক্ষেত্ৰতো পুৰুষ-নাৰীভেদে ব্যৱহাৰ কৰা ভাষাৰ এনে ৰূপ পৰিলক্ষিত হয়। দুয়োখন ভাষিক ক্ষেত্ৰত লিংগভেদে দেখা পোৱা ভাষাৰ যি বিভিন্নতা এই আলোচনা পত্ৰত তাৰেই আলোচনা কৰা হ'ব।

সূচক শব্দ ঃ লিংগভিত্তিক ভাষা ব্যৱহাৰ, অসমীয়া আৰু উড়িয়া ভাষা, নাৰী-পুৰুষৰ ভাষাৰ ভেদ

**১.০০ অৱতৰণিকা ঃ** ভাষা আৰু সমাজৰ সম্পৰ্ক অংগাগী, অত্যন্ত নিবিড়। ভাষা জনসমষ্টিৰ মননশীলতাৰ বলিষ্ঠ মাধ্যম। জনসমষ্টিয়ে সমাজ পাতি বাস কৰে আৰু জনসমষ্টিৰ মাজত প্ৰচলিত ভাষাইও সমাজক কেন্দ্ৰ কৰিয়েই বৰ্তি থাকে। পৃথিৱীৰ সকলো ঠাইতে গোষ্ঠীবদ্ধ হৈ বাস কৰা মানুহৰ সামাজিক প্ৰয়োজন পূৰোৱাৰ স্বাৰ্থতেই একোটা ভাষাৰ জন্ম হয়। একেটা ভাষাকে ব্যৱহাৰ কৰা এটা গোষ্ঠীক সেই ভাষাৰ ভাষিক সম্প্ৰদায় বুলি কোৱা হয়। একোখন সমাজৰ বিবিধ সামাজিক কৰ্মৰ প্ৰতিফলন ঘটে ভাষাৰ যোগেদি। ভাষা আৰু সমাজৰ কোনোটোৱেই এটাই আনটোক বাদ দি জীয়াই থাকিব নোৱাৰে। ভাষা সমাজৰ বস্তু, ই মানুহৰ প্ৰবৃত্তিজাত নহয় (Language is the product of sociely; it is not instinctive)। মানুহ সামাজিক জীৱ। সমাজৰ প্ৰয়োজনত ভাষাৰ উদ্ভৱ হৈছে আৰু সামাজিক পৃষ্ঠপোষকতাতেই ই বৰ্তী থাকে। ভাষা সমাজৰ বস্তু আৰু সমাজৰ সৃষ্টি। বিংশ শতাব্দীৰ এগৰাকী বিশিষ্ট ভাষাবিদ ফাৰ্ডিনাণ্ড দ্য চচ্যুৰে (Ferdinand de Saussure) ভাষাক এক সামাজিক কাৰক (Social Fact) বুলি কৈছে।[১] ভাষা আহৰণৰ ক্ষমতাও মানুহৰ জন্মগত। কিন্তু ভাষা মানুহৰ জন্মগত বা প্ৰবৃত্তিগত বস্তু নহয়। মানৱ শিশু এটিয়ে মানৱ সমাজত প্ৰতিপালিত হ'লেহে ভাষা আহৰণ কৰিব পাৰে, সমাজৰ পৰা আঁতৰাই ৰখা শিশু এটিয়ে কোনো ভাষা শিকিবলৈ সমৰ্থ নহয়। এইখিনিতে উল্লেখযোগ্য যে অঞ্চলভেদে ভাষাৰ যি পাৰ্থক্য দেখা যায়, সেইদৰে সমাজভেদেও ভাষাৰ কিছু পাৰ্থক্য গঢ় লৈ উঠে। সমাজৰ বিভিন্ন গোট বা শ্ৰেণীভেদে যিদৰে ভাষাৰ বিভিন্নতা দেখা যায় সেইদৰে নাৰী আৰু পুৰুষ অনুযায়ীও ভাষাৰ

বিভিন্নতা দেখিবলৈ পোৱা যায়। এই বিভিন্নতাই হৈছে লিংগভিত্তিক ভাষা ব্যৱহাৰ। সমমূলীয় ভাষা অসমীয়া আৰু উড়িয়াত এই বিভিন্নতা কেনেদৰে দেখা পোৱা যায় তাৰ আলোচনা এই পত্ৰৰ পৰৱৰ্ত্তী পৰ্যায়ত কৰা হৈছে।

**১.০১ অধ্যয়নৰ গুৰুত্ব আৰু উদ্দেশ্যঃ**

'ভাষাবিজ্ঞান' হৈছে ভাষাৰ বিজ্ঞানসন্মত অধ্যয়ন বা বিশ্লেষণ। অৰ্থাৎ, ভাষাবিজ্ঞান হৈছে ভাষাৰ বিজ্ঞানসন্মতভাৱে কৰা এক প্ৰকাৰ অধ্যয়ন বা আলোচনা বা বিশ্লেষণ। এই ভাষা কোনো সংকীৰ্ণ বা বিশাল জন-সমষ্টিৰ অথবা কোনো উন্নত বা অনগ্ৰসৰ জনগোষ্ঠীৰ ভাষা হ'ব পাৰে। এই অধ্যয়ন বা বিশ্লেষণৰ প্ৰকৃতি হৈছে বিজ্ঞানসন্মত। ভাষাবিজ্ঞানৰ বহুকেইটা শাখাৰ কথা গৱেষকসকলে উল্লেখ কৰিছে। তাৰে এটা অন্যতম শাখা হ'ল সমাজ ভাষাবিজ্ঞান। সমাজ ভাষাবিজ্ঞানে ভাষা এটা যিখন সমাজত চলে সেইখন সমাজৰ পৰিপ্ৰেক্ষিতত ভাষাটোৰ প্ৰতিটো দিশ তন্ন তন্নকৈ বিশ্লেষণ কৰে।[২] আন কথাত ক'বলৈ গ'লে ভাষাৰ সামাজিক পটভূমিৰ বিচাৰ বিশ্লেষণ কৰে। ভাষা আৰু সমাজৰ মাজত থকা সকলো ধৰণৰ সম্পৰ্কৰ সকলো দিশ সমাজ ভাষাবিজ্ঞানত অধ্যয়ন কৰা হয়। যোৱা শতিকাৰ পঞ্চাশৰ দশকৰ পাছৰ পৰা ভাষাবিজ্ঞানৰ এই শাখাটো জনপ্ৰিয় হৈ উঠে। চচ্যুৰৰ ভাষা-চিন্তাৰ দ্বি-ভাজন তত্ত্ব Langue (ভাষা-পদ্ধতি) আৰু Parole (ভাষাৰ-ব্যৱহাৰ) ক কেন্দ্ৰ কৰি চচ্যুৰৰ মৃত্যুৰ প্ৰায় দুকুৰি বছৰ পাছত ভাষাৰ অধ্যয়নত দুটা বীজ অংকুৰিত হয়।[৩] পৰৱৰ্তী কালত পাৰল'ক কেন্দ্ৰ কৰি অৰ্থাৎ সমাজৰ পৰিপ্ৰেক্ষিতত ব্যক্তিৰ ভাষা ব্যৱহাৰৰ বৈচিত্ৰক কেন্দ্ৰ কৰিয়েই সমাজ ভাষাবিজ্ঞান গঢ় লৈ উঠিছে। সমাজ ভাষা-বিজ্ঞানীয়ে সমাজৰ বিভিন্ন স্তৰত বিভিন্ন ৰূপেৰে দেখা দিয়া ভাষিক ভিন্নতাখিনিক বিশ্লেষণ কৰিবলৈ যত্ন কৰে। সামাজিক কাৰণত হ'ব পৰা সকলো ধৰণৰ ভাষিক ভেদৰে ইয়াত অধ্যয়ন হ'ব পাৰে। এই প্ৰসংগত উইলিয়াম ব্ৰাইটে কৈছে— 'Linguistic diversity is preciely the subject matter of sociolinguistics'[৪]

একেটা ভাষিক সম্প্ৰদায়ৰ ভাষাৰ মাজত কেতিয়াবা কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। কোনো এটা ভাষিক গোষ্ঠীৰ ভাষাৰ ব্যৱহাৰত দেখা দিয়া পাৰ্থক্য বা ব্যৱহাৰগত ভেদ বিভিন্ন ধৰণৰ কাৰকৰ বাবে হ'ব পাৰে। এই কাৰকবোৰ ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই এনে ধৰণে দেখুৱাইছে[৫] —

—ভৌগোলিক পৰিসীমা (Geographical Boundary)

—সামাজিত স্তৰ বিন্যাস (Social stratification)

—মানৱৰ গোষ্ঠীগত পটভূমি (Ethnic Background)

—মানুহৰ সাংস্কৃতিক পটভূমি (Cultural Background)

—মানুহৰ বৃত্তিগত ভাষাশৈলী (Register)

—বাৰ্তালাপ বা কথা চয়নৰ প্ৰসংগ (Contest of Discourse)

—ব্যক্তিগত ভাষাশৈলী (Idiolect)

অৰ্থাৎ , দেখা যায় বিভিন্ন কাৰক বা উপাদানৰ বাবে একেটা ভাষিক সম্প্ৰদায়ৰ ভাষাৰ সুকীয়া সুকীয়া ভাষিক ৰূপৰ সৃষ্টি হ'ব পাৰে। সামাজিত স্তৰ বা সামাজিক ভিন্নতা ভেদে একোটা ভাষাত সুকীয়া সুকীয়া ভাষিক ৰূপ গঢ় লৈ উঠে। পৃথিৱীৰ প্ৰায় সকলোবোৰ ভাষিক সম্প্ৰদায়ৰ মাজত সামাজিক দূৰত্ব বা ভিন্নতা ভিন ভিন কাৰণত গঢ়ি উঠে। সামাজিত ভিন্নতাৰ কাৰণো বিভিন্ন ধৰণৰ হ'ব পাৰে। আমাৰ গৱেষণাৰ মূল আলোচ্য বিষয় লিংগভেদ ও এক প্ৰকাৰৰ সামাজিক ভিন্নতা আৰু এই ভিন্নতা অনুসৰি একোটা ভাষাৰ মাজত দুটা সুকীয়া ৰূপ দেখা পোৱা যায়। সমাজভেদে লিংগভেদৰ বাবে হোৱা সামাজিক দূৰত্ব কম-বেছি হয়। কিছুমান সমাজত লিংগভেদে এখন প্ৰাচীৰৰ সৃষ্টি কৰে। কিছুমান সমাজত লিংগভেদ থকা স্বত্বেও সামাজিক দূৰত্ব একেবাৰে নূন্যতম। কিন্তু এই কথা চিৰ সত্য যে মানৱ সমাজত সামাজিক দূৰত্ব থাকক বা নাথাকক, সামাজিক ভিন্নতা কিন্তু আছে।

মাগধী অপভ্ৰংশৰপৰা উদ্ভূত অসমীয়া আৰু উড়িয়া— এই দুই ভাষাতো লিংগভেদে ভাষা ব্যৱহাৰৰ বিভিন্নতা দেখা

পোৱা যায়। এই দুই ভাষাৰ ইতিমধ্যে বহু তুলনামূলক আৰু ভেদাত্মক অধ্যয়ন হৈছে যদিও লিংগভিত্তিক ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত কোনো অধ্যয়ন হোৱা নাই। সমাজভাষাবিজ্ঞানৰ অন্তৰ্গত এই লিংগভিত্তিক ভাষা ব্যৱহাৰ বিষয়টো যথেষ্ট নতুন। সমমূলীয় এই ভাষা দুটাত লিংগভিত্তিক ভাষা ব্যৱহাৰ সম্পৰ্কে অধ্যয়ন হ'লে বহু নতুন কথা পোহৰলৈ অহাৰ অৱকাশ আছে।

প্ৰস্তাৱিত গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে বিশ্লেষণাত্মক আৰু তুলনামূলক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে মুখ্য আৰু গৌণ দুয়োটা উৎসৰ সহায় লোৱা হৈছে। মুখ্য উৎস হিচাপে অসম আৰু উৰিষ্যাৰ বিভিন্ন অঞ্চললৈ গৈ ক্ষেত্ৰ অধ্যয়ন কৰা হৈছে। গৌণ উৎস হিচাপে বিভিন্ন প্ৰাসংগিক পুথি আৰু প্ৰৱন্ধৰ সহায় লোৱা হৈছে।

**১.০৩ গৱেষণা ক্ষেত্ৰৰ পৰিচয়:**

প্ৰস্তাৱিত গৱেষণা পত্ৰৰ গৱেষণা ক্ষেত্ৰ দুখন হৈছে পূব ভাৰতৰ অসম আৰু উৰিষ্যা ৰাজ্য।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অৱস্থিত অসম প্ৰদেশৰ পূৰ্বৰ নাম আছিল কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰ। অসমক আৱৰি ৰাখিছে সুউচ্চ পৰ্বতমালা আৰু ঘন সেউজীয়া অৰণ্যানিয়ে। ত্ৰয়োদশ শতিকাত টাই-গোষ্ঠীয় আহোমসকল অসমলৈ অহাৰ পাছৰপৰাই এই ভূখণ্ডৰ নাম অসম হ'ল বুলি কোৱা হয়। ইয়াত বসবাস কৰা লোকসকলক আৰু ভাষাটো অসমীয়া হিচাপে নামাংকিত হ'ল। অসমলৈ যুগে যুগে বিভিন্ন অঞ্চলৰ পৰা মানুহৰ আগমন ঘটি আহিছে। ব্ৰহ্মপুত্ৰ উপত্যকালৈ কোৰিয়া, মংগোলিয়া, চীন, ৰাছিয়া, তিব্বত, থাইলেণ্ড, ম্যানমাৰ, কাশ্মীৰ, পঞ্জাৱ, দিল্লী, কনৌজ, উত্তৰ প্ৰদেশ, বিহাৰ, ভূটান, চিকিম, নেপাল, মধ্যপ্ৰদেশ, পূব মহাৰাষ্ট্ৰ, তামিলনাডু, কৰ্ণটক, অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা আৰু বংগৰপৰা লোক প্ৰব্ৰজন ঘটিছিল[৬]। অসম ৰাজ্য বিভিন্ন নৃগোষ্ঠী আৰু ভাষাগোষ্ঠীৰ মানুহৰ সমন্বয়ৰ থলী। অসমৰ অধিবাসীসকলে মূলতঃ এইকেইটা নৃগোষ্ঠীৰ প্ৰতিনিধিত্ব কৰে— মংগোলীয়, অষ্ট্ৰলয়ড, ভূমধ্য সাগৰীয়(দ্ৰাবিড়) আৰু নৰ্ডিক বা আৰ্য। কেইটামান দশক আগলৈকে অসমৰ পৰিসীমাই বৰ্তমানৰ অৰুণাচল, মেঘালয়, নাগালেণ্ড,মণিপুৰ, ত্ৰিপুৰা আৰু মিজোৰাম - এই কেউখন ৰাজ্যকেই সামৰি লৈছিল। কিন্তু অতীতৰ অসম ৰাজ্য সংকুচিত হৈ বৰ্তমান ইয়াৰ আয়তন ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত সীমাৱদ্ধ হৈ ৰৈছেহি। বৰ্তমানৰ অসমীয়া ভাষা বহু হাজাৰ বছৰৰ ক্ৰম পৰিণতিৰ ফল। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰৰপৰা মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ অতিক্ৰমি অসমীয়া ভাষাই দশম-একাদশ শতিকামানত নব্য ভাৰতীয় আৰ্যভাষা ৰূপে প্ৰতিষ্ঠা লাভ কৰে। তাৰপৰাও ক্ৰমবিকাশৰ পথত অতিক্ৰমি অসমীয়া ভাষাই বৰ্তমানৰ ৰূপ লাভ কৰিছে। ৭৮,৪৩৮ বৰ্গকিলোমিটাৰ অঞ্চল জুৰি থকা সমগ্ৰ অসম ৰাজ্যৰ উপৰিও অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ আদিতো কিছুপৰিমাণে অসমীয়া ভাষাৰ প্ৰচলন আছে।[৭] ১৯৬১ চনৰ লোকপিয়ল অনুসৰি অসমীয়া ভাষা-ভাষীৰ সংখ্যা ১,৩০,৭৯,৬৯৬ জন।[৮] অসমৰ অঞ্চলভেদে বিভিন্ন ঔপভাষিক ৰূপ পৰিলক্ষিত হয়। মূলতঃ পূব অঞ্চলৰ বা উজনি অসমৰ উপভাষা আৰু পশ্চিম অঞ্চল বা নামনি অসমৰ উপভাষা— এই দুই ঔপভাষিক ৰূপ স্পষ্টভাৱে চকুত পৰে।

আমাৰ আনখন গৱেষণা ক্ষেত্ৰ হ'ল বংগোপসাগৰৰ উপকূলৱৰ্ত্তী উৰিষ্যা ৰাজ্য। খৰস্ৰোতা নদী, কল্লোলিত ঝঁণা, সুগভীৰ হ্ৰদ, সুউচ্চ পৰ্বত শিখৰ, বিপুল খনিজ সম্পদ, বিৰল জৈৱবৈচিত্ৰৰে আগুৱা উৰিষ্যা ৰাজ্য এক আকৰ্ষণীয় পৰ্যটনস্থলী। ১,৫৫,৭০৭ বৰ্গকিলোমিটাৰ মাটিকালিৰে আগুৱা এই বিশাল ভূ-মণ্ডলৰ উত্তৰ দিশে আছে ঝাৰখণ্ড প্ৰদেশ, উত্তৰ-পূব দিশত পশ্চিমবংগ, উত্তৰ-পশ্চিম আৰু পশ্চিম দিশত ছত্তিশগড় প্ৰদেশ, দক্ষিণ-পশ্চিম দিশত অন্ধ্ৰপ্ৰদেশ আৰু দক্ষিণ-পূব সীমাত বংগোপসাগৰ অৱস্থিত।[৯] উৰিষ্যাৰে বৈ যোৱা সমুদ্ৰতটৰ দৈৰ্ঘ্য প্ৰায় ৪৭৬.৬ কিলোমিটাৰ।[১০] ৰাজ্যখনৰ বালেশ্বৰ, ভদ্ৰক, কেন্দ্ৰাপড়া, জগতসিংহপুৰ, পুৰী আৰু গঞ্জাম আদি জিলা সমুদ্ৰকূলত অৱস্থিত। বহু প্ৰাচীন কালৰপৰা এই ৰাজ্য উড্ৰ, কলিংগ, ত্ৰিকলিংগ, উৎকলিংগ, উৎকল, তোষাল, কোশল, কঙ্গোদ আৰু উৰিষ্যা, ওড়িশা আদি বহু নামেৰে পৰিচিত হৈ আহিছে। অতীতত এই ক্ষেত্ৰখন উড্ৰ দেশ ৰূপে পৰিচিত আছিল। বহুতো পণ্ডিতৰ মতে, সমুদ্ৰ তট তথা নদীকূলৰ বিস্তৃত

আৰ্দ্ৰ অঞ্চলত বসবাস কৰাৰ বাবে এই ঠাইৰ অধিবাসীসকলক উড্ৰ বুলি কোৱা হৈছিল।[১১] আন এচাম পণ্ডিতে আকৌ মত দাঙি ধৰে যে, আদিম অধিবাসীসকলৰ ভাষাত 'ওড়' শব্দৰ অৰ্থ কৃষি। আৰ্যসকলৰ এটা গোট এই ঠাইত স্থায়ীৰূপে বসতি স্থাপন কৰি কৃষিকাৰ্য কৰিবলৈ লোৱাত মূল অধিবাসীসকলৰ দ্বাৰা তেওঁলোক ওড় বা উড্ৰৰূপে নামাংকিত হ'ল।[১২] অনেক পৌৰাণিক গ্ৰন্থ, যেনে— ৰামায়ণ, মহাভাৰত, কপিল সংহিতা, স্কন্ধপুৰাণ, দশকুমাৰ আদি বহু প্ৰসিদ্ধ গ্ৰন্থত এই ৰাজ্যৰ গৌৰৱগাঁথাৰ বৰ্ণনা পোৱা যায়। উৰিষ্যাৰ মুখ্য ভাষা হৈছে উড়িয়া। সমগ্ৰ উৰিষ্যাত প্ৰায় ৫৮ টা কথিত ভাষাৰ প্ৰচলন আছে।[১৩] ১৯৬১ চনৰ লোকপিয়ল মতে উড়িয়া ভাষা-ভাষীৰ সংখ্যা ১,৫৭,১৯,৩৯৮ জন।[১৪] উড়িয়া ভাষাৰ উপভাষা প্ৰধানকৈ চাৰিটা [১৫]

১। দক্ষিণ উৰিষ্যাৰ উপভাষা

২। পশ্চিম উৰিষ্যাৰ উপভাষা

৩। উত্তৰ উৰিষ্যাৰ উপভাষা

৪। মধ্য উৰিষ্যাৰ উপভাষা

**১.০৪ ভাষা আৰু লিংগভেদ:**

লিংগভেদৰ দৰে সামাজিক ভিন্নতাৰ বাবেই মানৰ সমাজত লিংগভিত্তিক ভাষা ব্যৱহাৰো আছে আৰু তাৰেই পৰিপ্ৰেক্ষিতত লিংগভিত্তিক ভাষা ব্যৱহাৰৰ প্ৰাসংগিকতাও আহি পৰে। জন্মৰে পৰা ল'ৰা আৰু ছোৱালীৰ মাজত বিভিন্ন ক্ষেত্ৰত পাৰ্থক্য আহি পৰে। শাৰীৰিক আৰু মানসিক দুয়োটা ক্ষেত্ৰতে ল'ৰা আৰু ছোৱালীৰ যথেষ্ট পাৰ্থক্য আছে। মূলতঃ এই দুটা পাৰ্থক্য ভিত্তি কৰি লৈয়েই ল'ৰা আৰু ছোৱালীৰ মাজত বহুতো সামাজিক ভিন্নতাও আহি পৰে। শাৰীৰিক আৰু মানসিক পাৰ্থক্য জন্মগত। কিন্তু লিংগৰ ওপৰত ভিত্তি কৰি বৰ্তী থকা সামাজিক পাৰ্থক্য বা ভিন্নতা সমাজ পাতি বাস কৰা মানুহেই সৃষ্টি কৰিছে বুলিব পাৰি। লিংগভেদ অনুসৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত যিদৰে ভিন্নতা আহি পৰে, সেইদৰে ভাষা ব্যৱহাৰতো লিংগভেদে প্ৰভাৱ পেলায়। ভাষা আহৰণৰ ক্ষমতা মানুহৰ জন্মগত, কিন্তু ভাষা মানুহৰ জন্মগতভাৱে আয়ত্বত থকা কলা নহয়। প্ৰত্যেকটো ভাষা শিকাৰ পিছতহে আয়ত্বলৈ আহে আৰু সমাজেই আমাক ভাষাটো কেনেদৰে ব্যৱহাৰ কৰিব লাগিব, ভাষাৰ কেনে ৰূপ ব্যৱহাৰ কৰা উচিত অনুচিত ইত্যাদি কথা শিকায়। স্বাভাৱিকতেই সামাজিক ভিন্নতাৰ বাবেই নাৰী আৰু পুৰুষে ভাষা এটা আয়ত্ব কৰাৰ সময়ৰে পৰাই সুকীয়া ৰূপ আয়ত্বলৈ আনে। পুৰুষ আৰু নাৰীৰ ভাষা ব্যৱহাৰত বিভিন্নতা আহি পৰাৰ প্ৰাথমিক কাৰক হ'ল তেওঁলোকৰ শাৰীৰিক ভিন্নতা। পুৰুষ আৰু নাৰীৰ বাগিন্দ্ৰিয়ৰো যথেষ্ট পাৰ্থক্য আছে। পুৰুষৰ কণ্ঠী (Vocal tracts) দীঘল, আৰু ঘটিকা (larynx) ডাঙৰ হোৱা হেতুকে কণ্ঠস্বৰো নাৰীতকৈ ডাঙৰ হয়। কণ্ঠস্বৰৰ পাৰ্থক্যৰ বাবেও নাৰী আৰু পুৰুষভেদে ভাষাৰ সুকীয়া শব্দশৈলী, সুৰ-লহৰ ইত্যাদি গঢ় লয় বুলি ভবাৰ অৱকাশ আছে।

নাৰী পুৰুষৰ ভাষাৰ পাৰ্থক্যৰ ক্ষেত্ৰত মনস্তাত্বিক দিশটোৱেও যথেষ্ট ক্ৰিয়া কৰে। পুৰুষ আৰু নাৰীৰ মনস্তত্ত্ব যথেষ্ট ভিন্ন। পুৰুষৰ ভাষাত কৰ্তৃত্ব, গভীৰতা, আদেশ, দ্বায়িত্বৰ ভাৱ সুৰ সাধাৰণতে ফুটি উঠে। নাৰীৰ ভাষাত কিন্তু মৰম, শ্ৰদ্ধা ইত্যাদিৰ ভাৱহে বেছিকৈ ফুটি উঠে। বিভিন্ন অধ্যয়ন আৰু সমীক্ষাৰ পৰা জানিব পৰা গৈছে যে নাৰী সাধাৰণতে ভাষাৰ মান্য ৰূপটো ব্যৱহাৰৰ প্ৰতি বেছি আগ্ৰহী। ইয়াৰ এটা কাৰণ হৈছে পুৰুষ প্ৰধান সমাজত নাৰী নিজৰ স্থিতিক লৈ সদায় সচেতন। নাৰীক যাতে দুৰ্বল বুলি নাভাৱে তাৰ প্ৰতি তেওঁ দৃষ্টি ৰাখে। নিজৰ হীনমন্যতা লুকুৱাবৰবাবেহে নাৰীয়ে বেছিভাগ ক্ষেত্ৰতে কথিত ভাষাক পাৰিহাৰ কৰি চলে। আনটো কাৰণ এনে নাৰী এগৰাকী পুৰুষতকৈ অধিকভাৱে সন্তানৰ লালন-পালন তথা শিক্ষাৰ লগত জড়িত। নিজা সন্তানে যাতে ভাষাৰ মান্য ৰূপটোহে আয়ত্ব কৰে সেই উদ্দেশ্যে মাতৃয়েও মান্য ৰূপ ব্যৱহাৰৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়ে। লিংগভিত্তিক ভাষা ব্যৱহাৰৰ কাৰক হিচাপে মানুহৰ সাংস্কৃতিক পটভূমিৰো

আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে। মানৱ সমাজ মাত্ৰেই সাংস্কৃতিময়। একোটা ভাষিক সম্প্ৰদায়ৰ মাজত অঞ্চল, বৃত্তি, শ্ৰেণী ভেদে যিদৰে সংস্কৃতি সুকীয়া হ'ব পাৰে, সেইদৰে লিগংভেদেও কিছুমান সুকীয়া সুকীয়া সংস্কৃতি গঢ় লৈ উঠে। একেটা অৰ্থাৎ একেটা ভাষিক সম্প্ৰদায়ৰ অন্তৰ্গত হোৱা স্বত্বেও পুৰুষ আৰু নাৰীৰ সংস্কৃতি, বহুক্ষেত্ৰত বেলেগ বেলেগ হোৱা দেখা যায়। আৰু এই সংস্কৃতিৰ তাৰতম্য অনুসৰি পুৰুষ আৰু নাৰী উভয় গোটতে কেতবোৰ সুকীয়া ভাষিক বৈশিষ্ট্যইও গা কৰি উঠে।

ব্যক্তি ভাষা শৈলীৰ প্ৰসংগও লিংগভিত্তিক ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত আহি পৰে। সমাজত দুই প্ৰকাৰৰ ব্যক্তি অনুসৰি ভাষাৰ তাৰতম্য ঘটে। ইয়াক ব্যক্তি ভাষা, ইংৰাজীত Idiolect বুলি কোৱাহয়। প্ৰত্যেক ব্যক্তিৰে কথা কোৱাৰ ধৰণ, শব্দ নিৰ্বাচন, প্ৰয়োগ, সুৰ, লহৰ বেলেগ বেলেগ। ব্যক্তিৰ পৰাই সমাজ গঠন হয়। গতিকে সমাজত নাৰী আৰু পুৰুষৰ ভাষাৰ পাৰ্থক্যৰ ক্ষেত্ৰত এই ব্যক্তি ভাষাৰো প্ৰাসংগিকতা আছে। প্ৰত্যেক ব্যক্তিয়ে নিজস্ব এক সুকীয়া শৈলীৰ ভাষা ব্যৱহাৰ কৰে। আৰু পুৰুষ ব্যক্তিৰ ভাষা ব্যৱহাৰৰ মাজত যিদৰে উমৈহতীয়া বৈশিষ্ট্য পৰিলক্ষিত হয় সেইদৰে নাৰী সকলৰ ভাষা ব্যৱহাৰতো উমৈহতীয়া বৈশিষ্ট্য দেখা পোৱা যায়। সমাজৰ সাংস্কৃতিক পৰিমণ্ডলত বসবাস কৰা নাৰী-পুৰুষৰ ভিন্নতাৰ দিশটো দৰাচলতে এক আকৰ্ষণীয় বিষয়। তাৰোপৰি, কোনো এটা ভাষাৰ সামগ্ৰিক ছবি এখন পোহৰলৈ অনাৰ ক্ষেত্ৰত লিংগভিত্তিক ভাষা ব্যৱহাৰৰ অধ্যয়ন তথা বিশ্লেষণৰ অতি আৱশ্যকতা আছে। বিশ্বত এনে কিছুমান ভাষা আছে যিবোৰত পুৰুষ আৰু নাৰীৰ ভাষাৰ মাজত শব্দ, বাক্য, উচ্চাৰণ ইত্যাদিৰ ক্ষেত্ৰত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। কোৰিয়ান ভাষাত নাৰীৰ অধিক প্ৰাবল্য থকা এক ৰেজিষ্টাৰ পোৱা যায়। জাপানী ভাষাতো লিংগভেদৰ প্ৰভূত পাৰ্থক্য দেখা যায়। একেটা অৰ্থকে বুজাবলৈ জাপানী ভাষাত নাৰী আৰু পুৰুষে বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰে। ইয়াৰ কেইটামান উদাহৰণ হ'ল—

| শব্দ | পুৰুষ | মহিলা |
|---|---|---|
| পেট | হাৰা | অনাকা |
| খোৱা | কূ | টাবেৰু |
| মই | বকু | আতাছী |
| পানী | মিজু | অহিয়া |

আমাজানৰ ভাৰতীয়সকলৰ মাজতো ভাষাৰ ক্ষেত্ৰত এই লিংগভেদ দেখা পোৱা যায়। এই ভাষাত শিশু এটিৰ মাতৃয়ে ব্যৱহাৰ কৰা ভাষিক ৰূপ শিশুটিৰ পিতৃয়ে ব্যৱহাৰ কৰা ভাষিক ৰূপতকৈ যথেষ্ট পৃথক।

অসমীয়া আৰু উড়িয়া— একে মূলৰপৰা উদ্ভূত নব্য ভাৰতীয় আৰ্যভাষা। প্ৰাচ্য মাগধী অপভ্ৰংশৰপৰা উদ্ভূত এই অসমীয়া আৰু উড়িয়া ভাষাতো পুৰুষ আৰু নাৰীৰ ভাষাই কিছু পৰিমাণে ভিন্ন ৰূপ লোৱা পৰিলক্ষিত হয়। এই দুই ভাষাৰ মূল সংস্কৃত ভাষাৰ নাটসমূহলৈ লক্ষ্য কৰিলেও নাৰী পুৰুষৰ ভাষাৰ ভিন্নতা চকুত পৰে। এনে নাটত ৰজা আৰু বিদূষকৰ মুখত সংস্কৃত ভাষা দিয়া হৈছিল। ইয়াৰ বিপৰীতে সমাজত নাৰীৰ স্থান নিম্ন আছিল বাবে নাৰী চৰিত্ৰ আৰু আন আন সাধাৰণ চৰিত্ৰৰ মুখত শৌৰসেনী প্ৰাকৃত ব্যৱহাৰ কৰা হৈছিল।

**৩.০০ অসমীয়া আৰু উড়িয়া ভাষাৰ লিংগভিত্তিক ভাষা ব্যৱহাৰঃ** অসমীয়া আৰু উড়িয়া ভাষাৰ লিংগভিত্তিক ভাষাৰ আলোচনা আমি কেইটামান বিভাগত বিভক্ত কৰি বিশ্লেষণ কৰিছোঁ। সেই বিভাগকেইটা এনেধৰণৰ—

২.০১ লিংগভিত্তিক ভাষাত সামাজিক মূল্যবোধৰ প্ৰভাৱ

২.০২ লিংগভিত্তিক ভাষাত মনস্তাত্ত্বিক প্ৰভাৱ

২.০৩ লিংগভিত্তিক ভাষাত সাংস্কৃতিক প্ৰভাৱ

২.০৪ লিংগভিত্তিক ভাষা আৰু লোকসাহিত্য

**২.০১ লিংগভিত্তিক ভাষাত সামাজিক মূল্যবোধৰ প্ৰভাৱ ঃ** সামাজিক মূল্যবোধৰ বাবে নাৰী পুৰুষৰ ভাষাত বহু পৰিমাণে পাৰ্থক্য আহি পৰে। এই পাৰ্থক্যবোৰ এনে ধৰণৰ-

**২.০১.১ ভাষাতাত্ত্বিক নিষেধ :** অসমীয়া আৰু উড়িয়া দুয়োখন সমাজতে নাৰীৰ ভাষাৰ ক্ষেত্ৰত কিছু ৰক্ষণশীলতা দেখা পোৱা যায়। তাৰোপৰি দুয়োখন সমাজৰে নাৰীসকল স্বভাৱতেই লাজকুৰীয়া। তেওঁলোকে কিছুমান মান্যৰূপ ব্যৱহাৰ কৰিবলৈ নিজেই কুণ্ঠাবোধ কৰে আৰু কিছুমান ক্ষেত্ৰত দেখা যায় তেনে ৰূপ ব্যৱহাৰ কৰাত তেওঁলোকক সমাজখনেও বাধা প্ৰদান কৰে। অসমীয়া ভাষাত এনে ধৰণৰ প্ৰচুৰ উদাহৰণ পোৱা যায়। অসমীয়া সমাজত তিৰোতাই স্বামীৰ নাম কেতিয়াও মুখলৈ নানে। এইক্ষেত্ৰত সমাজে এক নিয়ম বান্ধি দিছে। কিন্তু আজিৰ যুগত এই নিয়মৰ কঠোৰতা কমিছে যদিও গাওঁ অঞ্চলত এই নিয়ম এতিয়াও আছে। অসমীয়া গ্ৰাম্য নাৰীয়ে স্বামীক এইবুলি সম্বোধন কৰে— হেৰি, হওঁ, এখেত, এওঁ, তেখেত, অমুকৰ দেউতাক ইত্যাদি...।

উড়িয়া সমাজতো তিৰোতাই স্বামীৰ নাম মুখলৈ নানে। তেওঁলোকে সাধাৰণতে স্বামীক বুজাবলৈ বা মাতিবলৈ এই শব্দৰূপসমূহ ব্যৱহাৰ কৰে— হঁইকিঞে, শুনুচ (শুনিছেনে), শুনুল টিকে (অলপ শুনকচোন) ইত্যাদি। আকৌ সন্তানৰ নাম লৈ 'অমুকৰ দেউতাক' বুলি মতা নীতি অসমীয়া সমাজৰ দৰে উড়িয়া সমাজতো আছে।

**২.০১.২ নম্ৰতাসূচক শব্দৰ প্ৰয়োগ :** ভাৰতীয় নাৰী স্বভাৱতেই কমনীয়। নাৰীৰ এই কমনীয়তা তেওঁৰ কাৰ্য-কলাপ, ভাষা-ব্যৱহাৰত ফুটি উঠে। অসমীয়া আৰু উড়িয়া উভয় সমাজৰ নাৰীয়ে কথা কওঁতে স্বভাৱসুলভ ভাৱে কেতবোৰ নম্ৰতাসূচক শব্দৰ প্ৰয়োগ কৰে। অসমীয়া ভাষাৰ উদাহৰণ কেতবোৰ হ'ল-

"যাবা দেই"

"আপোনালোক যাব দেই"

"কি যে কোৱা পায়"

"হয় দিয়া"

"হয় পায়"

দেখা গ'ল যে অসমীয়া ভাষাটো নাৰীয়ে নম্ৰভাৱে প্ৰয়োগ কৰোঁতে 'পায়', 'দেই', 'দিয়া', 'চোন' ইত্যাদি শব্দৰূপ ব্যৱহাৰ কৰে।

**২.০২ লিংগভিত্তিক ভাষাত মনস্তাত্ত্বিক প্ৰভাৱ**

অসমীয়া আৰু উড়িয়া - দুয়োখন সমাজত মনস্তাত্ত্বিক কাৰণৰ বাবেও নাৰী-পুৰুষৰ ভাষাৰ মাজত বিভিন্ন ভাষিক পাৰ্থক্য দেখা পোৱা যায়।

**২.০২.১ নাৰীৰ ভাষাত বিশেষণীয় শব্দৰ প্ৰাধান্য :** ক্ষেত্ৰ অধ্যয়নৰ পৰা জানিব পৰা গৈছে যে, অসমীয়া আৰু উড়িয়া দুয়ো সমাজৰে নাৰীয়ে কথা কওঁতে বিশেষণীয় শব্দৰ প্ৰয়োগ বেছিকৈ কৰে। প্ৰশংসা অথবা বিৰক্তি প্ৰকাশ কৰাৰ বাবে নাৰীয়ে বিভিন্ন ধৰণৰ বিশেষণীয় শব্দ ব্যৱহাৰ কৰাত পুৰুষতকৈ বেছি সিদ্ধহস্ত। মনস্তাত্ত্বিক দিশৰ পৰাও এই কথা জনা গৈছে যে পুৰুষতকৈ নাৰীৰ প্ৰশংসা কৰাৰ প্ৰৱণতা বেছি।

অসমীয়া নাৰীয়ে নিজৰ আত্মীয় অথবা ভাল সম্পৰ্ক থকা আন কোনো নাৰীক লগ পালে পোনতেই তেওঁ পিন্ধি থকা সাজযোৰৰ প্ৰশংসা কৰাটো স্বভাৱজাত গুণ। এনেক্ষেত্ৰত এগৰাকী নাৰীয়ে এইদৰে কোৱা শুনা যায় - "বাঃ বৰ ধুনীয়া লাগিছে দেই", "বৰ ধুনীয়া সাজ পিন্ধিছা", "দিনে দিনে ধুনীয়া হৈ গৈ আছা" ইত্যাদি।

উড়িয়া নাৰীয়েও সেইদৰে প্ৰশংসা কৰোঁতে বিভিন্ন ধৰণে মনৰ ভাৱ প্ৰকাশ কৰে। উড়িয়া নাৰীৰ মুখত সততে এনে ধৰণৰ বাক্য শুনা যায়— "বা ৰে এতে ভল লাগুচি তমকু", "কণ সুন্দৰ দেখুচি তমকু", "কণ সুন্দৰ কপড়" ইত্যাদি। আকৌ, অসমীয়া নাৰীয়ে কোনো মানুহৰ বা আন কোনো বস্তুৰ প্ৰশংসা কৰোঁতে বিভিন্ন বিশেষণীয় শব্দ তাত যোগ দিয়ে। উড়িয়া নাৰীৰ ক্ষেত্ৰতো একেই বৈশিষ্ট্য দেখা পোৱা যায়। অসমীয়া নাৰীয়ে বিশেষণীয় শব্দবোৰ এনেদৰে যোগ দিয়ে— "কি ৰেচমী চুলি তাইৰ!", "কি দুৰ্গা গোসাঁনী হেন চেহেৰা" ইত্যাদি। উড়িআ নাৰীয়ে নাৰীয়ে সততে ব্যৱহাৰ কৰা বিশেষনীয় ৰূপবোৰ অনে - "এতে ভল লাগুচি", "খীৰ ভলি ঢলা ৰংগ", "ঝিঅটা কেতে সুন্দৰ" ইত্যাদি।

**২.০২.২ নাৰীৰ ৰঙৰ ক্ষেত্ৰত দক্ষতা :** অসমীয়া আৰু উড়িয়া দুয়োটা ভাষাতেই ৰঙৰ ক্ষেত্ৰত নাৰীৰ দক্ষতা দেখা যায়। ৰঙৰ সঠিক বৰ্ণনা দিয়াত নাৰী সিদ্ধহস্ত। কিন্তু পুৰুষে ৰঙৰ সঠিক হৰ্ণনা দিব নোৱাৰে। এনে হোৱাৰ মূখ্য কাৰণ হ'ল এগৰাকী নাৰী ঘৰ চম্ভালাৰ কামৰ লগত অধিক জড়িত। তাৰোপৰি নিজ হাতে বোৱা কটা কৰা অসমীয়া আৰু উড়িয়া নাৰী স্বাভাৱিকতেই ৰঙৰ ভিন্নতা দিশটোৰ লগত জড়িত ঘৰুৱা দিশটোৰ লগত অংগাংগী হোৱা বাবেই হয়তো নাৰী ৰঙৰ বৰ্ণনা কৰাত পাকৈত। ইংৰাজী ভাষাত ৰঙৰ ভিন্নতা নাৰীয়ে সুস্পষ্টভাৱে বৰ্ণনা কৰে এইদৰে — Parrot green, Sea green, Bottle green, Royal blue, Navey blue, Sky blue, Saffron, orange peach আদি। ৰাজীৱ চক্ৰৱৰ্তী আৰু অদিতি ভুনীয়া চক্ৰৱৰ্তীয়ে 'Does Sexist Language Really Exist? As Assessment of the Debate over Sexist-non-sexist Language in Bengali' নামৰ প্ৰৱন্ধত কৈছে — "This is perhaps related to our social inequity where men are involved in crucial familial decisions but women are not. It is perhaps because women are more closely involved in trivial household activities they are fastidious about discribing colours." [১৭]

অসমীয়া ভাষাতো ৰঙৰ ভিন্নতা সুচাবৰ বাবে নাৰীয়ে অজস্ৰ পৰিভাষা ব্যৱহাৰ কৰে — কজলা, কলপতীয়া, তেজপতীয়া, কেহেঁৰাজ বৰণীয়া, বেলচ হৰণীয়া, তেজ ৰঙা, সেন্দূৰ ৰঙা, গাখীৰ বগা, হেঙুলীয়া ইত্যাদি।

উড়িয়া ভাষাতো সেইদৰে, ৰঙৰ ভিন্নতা বুজোৱা বিভিন্ন শব্দ পোৱা যায় আৰু এই শব্দবোৰ নাৰীৰ মুখত হে শুনা পোৱা যায় —

কদলি পত্ৰ ৰংগ (কলপাত ৰং)
কলৰা ৰংগ (তিতাকেৰেলাৰ পাতৰ ৰং)
চুৰা ৰংগ (ভাটৌ ৰং)
সবুজ (সেউজীয়া)
কাই ক'লা (কাউৰী ক'লা)
হাণ্ডি ক'লা (তেলি ছাই ৰং)
ক'লা
সাবনা ৰংগ (মিঠা বৰণীয়া)
বগ ৰংগ (বগলী বগা)
ঢলা (বগা)

**২.০২.৩ নাৰীৰ ভাষাত** 'Tag question' **বা 'নেজ লগা প্ৰশ্ন'ৰ প্ৰয়োগ :** নাৰীৰ ভাষাৰ ক্ষেত্ৰত নাৰীৰ মনস্তাত্ত্বিক দিশটো খুব নিবিড়ভাবে জড়িত হৈ থাকে। কোনো এটা কথা কৈ উঠি অথবা মন্তব্য প্ৰকাশ কৰি শ্ৰোতাৰপৰা সেই কথা বা মন্তব্যৰ সহাঁৰি আৰু সমৰ্থন পোৱাৰ আকাংক্ষা পুৰুষতকৈ নাৰীৰ প্ৰবল। এই কথাৰ লগত অৱশ্যে আমাৰ সামাজিক দিশটোও জড়িত হৈ আছে। আমাৰ সমাজখন পুৰুষতান্ত্ৰিক সমাজ। এই সমাজত পুৰুষৰ কৰ্তৃত্ব বা অধিকাৰ নাৰীতকৈ বেছি। পুৰুষে কোনো কথা ক'লে বা মন্তব্য কৰিলে তাত আনৰ সমৰ্থনৰ প্ৰয়োজনবোধ তেওঁলোকে বৰ বেছি অনুভৱ

নকৰে। সাধাৰণতে পুৰুষসকলেই ঘৰৰ মূৰব্বী হোৱা দেখা যায়। তেওঁলোক সমিধান বিচৰাতকৈ সমিধান দিয়াতহে অধিক অভ্যস্ত।

'Tag question' ত দুটা বাক্যাংশৰ দ্বাৰা সম্পূৰ্ণ বাক্যটো গঠিত হয় আৰু পিছৰ বাক্যাংশটো প্ৰশ্নসূচক হয়। যেনে— "He is a singer, isn't he?" ভাষাবিজ্ঞানীসকলে চৰ্চাৰ পৰা ঠাৱৰ কৰিছে যে নাৰীৰ ভাষা ব্যৱহাৰত এনে 'Tag question'ৰ প্ৰয়োগ বেছি। ভাষাবিজ্ঞানী Robin Lakoff -এ নাৰীৰ ভাষা ব্যৱহাৰত এই নীতিৰ প্ৰয়োগ ব্যাপক ধৰণে হয় বুলি কৈছে।[১৮]

অসমীয়া নাৰীৰ মুখত Tag question এনেধৰণৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়-

"এইটো তোমালোকৰ ঘৰ, নহয় নে?"

"তোমাৰ পৰহিলৈৰ পৰা পৰীক্ষা, নহয় জানো?"

"আঞ্জাত নিমখ বেছি হ'ল, নহয় নে?"

আকৌ এই Tag question ত কেতিয়াবা পিছৰ প্ৰশ্নসূচক বাক্যটোৰ ঠাইত কেৱল "ন" শব্দটো আজিকালি নাৰীৰ ভাষাত ব্যৱহৃত হয়— "সি বৰ ভাল গান গায়, ন?"

"তোমাৰ ঘৰ নলবাৰীত, ন?"

উড়িয়া নাৰীৰ ভাষাতো Tag question ৰ প্ৰয়োগ অতি বেছি। এনে প্ৰয়োগ কেইটামানৰ উদাহৰণ হ'ল-

"তমে পাটিআ কু জিব, তা?" (তুমি পাটিআলৈ যাবা, নহয় জানো?)

"সেমানে এইঠি ৰুহন্তি, না?"(তেওঁলোক ইয়াতে থাকে, নহয় জানো?)

"সে প্ৰবোধ পাণিগ্ৰাহীৰ পুঅ, হুএ কি নোহে?" (তেওঁ প্ৰবোধ পাণিগ্ৰাহীৰ পুত্ৰ, নহয় জানো? )

"অপনংকৰ ঘৰ আসামৰে, নোহ কি?" (আপোনাৰ ঘৰ অসমত, নহয় জানো?)

**২.০২.৪ নাৰীৰ ভাষাত অনুৰোধৰ সুৰৰ অধিক প্ৰয়োগ:** নাৰীৰ ভাষাত অনুৰোধৰ অধিক সুৰ দেখা পোৱা যায়। আনে কি ভাৱে সেই লৈ নাৰী সদায় সচেতন। আনক কিবা এটা কাম কৰিবলৈ দিলেও নাৰীয়ে সাধাৰণতে সেয়া আদেশৰ সুৰত নকয়। অনুৰোধৰ সুৰতহে নাৰীয়ে আনক কিবা এটা কামলৈ পাচে। অসমীয়া নাৰীৰ ভাষাত অনুৰোধৰ বিস্তৃতি এনেভাৱে পৰিলক্ষিত হয়— "বেয়া নোপোৱা যদি মোক এই বস্তুকেইপদ বজাৰৰ পৰা আনি দিয়ানা"

"তুমি যদি বেয়া নোপোৱা তেনেহ'লে তোমাৰ ভনীয়েৰাক এবাৰ পঠাই দিবাচোন "

উড়িয়া ভাষাতো এনে অনুৰোধৰ বিস্তৃতি অধিক চকুত পৰা—

"যদি খৰাব পাইবুনু তাহেলে অম ঘৰকু আস"

"কাম টা কৰি দিঅন্তু না"

নাৰীৰ ভাষাত অনুৰোধৰ অধিক প্ৰাবল্যই নাৰীৰ দুৰ্বলতাকে সূচায়। ভাৰতৰ এগৰাকী গৃহিণীয়ে গোটেই ঘৰখনৰ কাম চম্ভালিলেও নিজে কিবা এটা সিদ্ধান্ত ল'বলৈ বা নিজৰ ইচ্ছামতে যিকোনো কাম কৰিবলৈ নাৰীয়ে কুণ্ঠাবোধ কৰে। নাৰীয়ে নিজ ইচ্ছাৰে কিবা কৰিব বিচাৰিলেও কৰিমেই বুলি জোৰ দি ক'ব নোৱাৰে। এইক্ষেত্ৰত নাৰীয়ে আওঁপকীয়া ভাষাশৈলী ব্যৱহাৰ কৰে। অসমীয়া নাৰীৰ ক্ষেত্ৰত পোৱা এনে বাকভংগী কেইটামান হ'ল—

"আজি মই বাইদেউৰ ঘৰলৈ এপাক যাম বুলি ভাবিছিলোঁ, কি কৰোঁ জানো!"

"আজি আমি চিৰিয়াখানালৈকে যাওঁ নহ'লে ব'লা"

উড়িয়া ভাষাতো নাৰীৰ ভাষাত এনে আওঁপকীয়া অনুৰোধৰ সুৰ শুনা যায়—

"মুঁ ভাবুচি কি মুঁ আজি ভউনীৰ ঘৰকু জিবি!" (মই ভাবিছোঁ আজি মই ভন্টিৰ ঘৰলৈ যাম)

"এ শুনিল এই শাৰীটাৰে মতে কেমিতি দেখিব?"(শুনাচোন এই শাৰীখনে বাৰু মোক কেনেকুৱা দেখিব?)

**২.০২.৫ পুৰুষৰ ভাষাত অমাৰ্জিত শব্দৰ প্ৰয়োগ ঃ** পৃথিৱীৰ সকলোবোৰ ভাষাতে কম বেছি পৰিমাণে অমাৰ্জিত শব্দ ব্যৱহাৰ হয়। অধ্যয়নৰ পৰা জনা গৈছে যে , নাৰীৰ তুলনাত পুৰুষে অধিক অমাৰ্জিত বা অশ্ৰাব্য শব্দৰ প্ৰয়োগ কৰে। অসমীয়া আৰু উড়িয়া ভাষাও ইয়াৰ ব্যতিক্ৰম নহয়। অসমীয়া ভাষাত চহা জীৱনৰ লগত জড়িত বহুতো অমাৰ্জিত শব্দ আছে। শ্ৰেণী, স্থান অনুসৰি এই শব্দৰূপবোৰ মানুহে প্ৰয়োগ কৰে। এই কাল্পনিক ৰূপবোৰৰ গঠনত বুদ্ধিমত্তা লক্ষ্য কৰা যায়। অসমীয়া আৰু উড়িয়া দুয়োটা ভাষাতেই অনেক নিষিদ্ধ বা অশ্ৰাব্য বা অমাৰ্জিত শব্দৰ প্ৰয়োগ আছে। গালি পাৰোঁতে পুৰুষৰ মুখত বিভিন্ন অশ্ৰাব্য শব্দ শুনা যায়। 'চাল্লা', 'ধুৰৰ' ইত্যাদি শব্দ পুৰুষৰ মুখতহে শুনা যায়। তাৰোপৰি নাৰীৰ ক্ষেত্ৰত পুৰুষে বিভিন্ন অমাৰ্জিত বিশেষণ শব্দ ব্যৱহাৰ কৰে। উড়িয়া ভাষাতো এনে বহুতো শব্দ আছে। অসমীয়া আৰু উড়িয়া দুয়ো ভাষাতেই নাৰী বুজোৱা বা নাৰীৰ লগত জড়িত কিছুমান শব্দ পুৰুষে হীন অৰ্থত প্ৰয়োগ কৰে। অসমীয়া ভাষাত 'মাইকী' শব্দৰ দ্বাৰা আৰু উড়িয়া ভাষাত 'স্ত্ৰী' শব্দ পুৰুষে ক্ষেত্ৰ আৰু পৰিস্থিতি বিশেষে নেতিবাচক অৰ্থত প্ৰয়োগ কৰে। অসমীয়াত 'মাইকী' শব্দটো এনেভাৱে প্ৰয়োগ হয়— "মাইকী চাল্লা"(গালি পৰাৰ ক্ষেত্ৰত)

"মোক কি তই মাইকী বুলি ভাবিছ নেকি?"

একেদৰে উড়িয়া ভাষাতো এনে অৰ্থত 'স্ত্ৰী' শব্দ ব্যৱহৃত হয়।

"মতে কি তু স্ত্ৰী ভাবুচ?"

**২.০২.৬ পুৰুষৰ ভাষাত কৰ্তৃত্ব বা আদেশৰ সুৰ প্ৰকট:** অসমীয়া আৰু উড়িয়া উভয় ভাষাতে পুৰুষৰ মুখত কৰ্তৃত্ব বা আদেশৰ সুৰ প্ৰকট ভাৱে শুনা যায়। নাৰীয়ে যিদৰে ভয়ে ভয়ে প্ৰায়ে প্ৰশ্ন কৰে পুৰুষৰ মুখত সাধাৰণতে তেনে ভাষা শুনা নাযায়। তেওঁলোকৰ মুখত এটা আদেশ বা কৰ্তৃত্বৰ সুৰ হে স্পষ্ট ৰূপত ফুটি উঠে। উদাহৰণস্বৰূপে দেখা যায— অসমীয়া ভাষী পুৰুষ এজনে কিবা এটা ঘৰুৱা সিদ্ধান্ত লওঁতে এনেকে ক'ব যে— "আজি অমুকটো কাম কৰিলোঁ" বা পত্নীক উদ্দেশ্যি ক'ব যে— "কাইলৈ পেহীদেউহঁতৰ ঘৰলৈ যাম, ওলাই থাকিবা"। উড়িয়া ভাষাতো একেদৰে নাৰী এগৰাকীৰ মুখত যিদৰে অনুমতি বিচৰা বা সমিধান বিচৰা ভাৰ শুনা যায়, উড়িয়া ভাষী পুৰুষৰ মুখত কিন্তু ঘৰৰ গৃহস্থৰ স্বাভাৱিক কৰ্তৃত্ব বা আদেশৰ সুৰ হে শুনা পোৱা যায়।

**২.০৩ লিংগভিত্তিক ভাষাত সাংস্কৃতিক প্ৰভাৱঃ** ভাৰতবৰ্ষ এখন সংস্কৃতিময় দেশ। বাৰে-ৰহণীয়া সংস্কৃতিয়ে এই দেশক এক সমন্বয় ক্ষেত্ৰত পৰিণত কৰিছে। বিভিন্ন সাংস্কৃতিক পৰিৱেশত পুৰুষ আৰু নাৰীৰ ভাষাত ভিন্নতাই দেখা দিয়ে। এই সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

**২.০৩.১ নাৰীৰ অলংকাৰৰ ক্ষেত্ৰত দক্ষতা :** ভাৰতীয় নাৰীৰ প্ৰাচীন কালৰেপৰাই অলংকাৰৰ প্ৰতি আকৰ্ষণ আছে। প্ৰাচীন গ্ৰন্থসমূহতেই ইয়াৰ বহুতো উল্লেখ পোৱা যায়। অসমৰ অলংকাৰৰ ইতিহাস ও অতি পুৰণি। প্ৰাচীন গ্ৰন্থ আৰু তাম্ৰশাসনবোৰত অসমৰ সোণ আৰু সোণেৰে নিৰ্মিত সামগ্ৰীৰ বহু উল্লেখ পোৱা যায়। অসমৰ 'সোৱণশিৰি' আৰু 'সোণকোষ' নদীয়েই অসমৰ সোণৰ লগত থকা সম্পৰ্কৰ সাক্ষ্য বহন কৰি আহিছে। অসমীয়া পুৰুষেও অলংকাৰ পিন্ধিছিল। কিন্তু পুৰুষে পিন্ধিলেও অলংকাৰ মূলতঃ নাৰীৰ। অসমীয়া নাৰীৰ ভাষাত অলংকাৰৰ বিভিন্ন নাম পোৱা যায়। এই শব্দবোৰ সাধাৰণতে নাৰীয়েহে ব্যৱহাৰ কৰে। পুৰুষৰ মুখত এইবোৰ শব্দৰ ব্যৱহাৰ বৰকৈ শুনা নাযায়। এনে কেতবোৰ শব্দ হৈছে— চিতিপাতি, কপালী, কেৰু, কৰিয়া, মাকৰি, থুৰিয়া, গলপতা, হাৰ, বেণা, দুগদুগী, জোনবিৰি, ঢোলবিৰি, ঢৰিয়াবিৰি, শিলিখাবিৰি, পাৰচকুৱা বিৰি, লতা বাখৰুৱা বিৰি, মাদলি, গেজেৰা, থোপামণি, চিপাত, ফুটিমণি, মুঠি খাৰু, গামখাৰু, মগৰমূৰী খাৰু ইত্যাদি।

উড়িয়া সমাজতো অলংকাৰৰ সমাদৰ প্ৰাচীন কালৰেপৰাই আছে। ওড়িশাৰ কটকৰ ৰূপৰ গহণাৰ কাম বহু প্ৰসিদ্ধ। উৰিষ্যাৰ লোকসমাজত অলংকাৰৰ যথেষ্ট গুৰুত্ব আছে। বিবাহিতা মহিলাই ভৰিত পায়েল আৰু ভৰিৰ আঙুলিত আঙঠি

পিন্ধাটো নিয়ম। উৰিষ্যাত সোণ, ৰূপ, তাম, পিতলৰ অলংকাৰ পিন্ধা হয়। সাগৰীয় অঞ্চল হোৱা হেতুকে মুকুতাযুক্ত অলংকাৰৰ পয়োভৰ ইয়াত অধিক। অলংকাৰৰ বিবিধ নাম উড়িয়া নাৰীৰ ভাষাত পোৱা যায়—

কাণৰ অলংকাৰ— কাপ, ফাশিআ, বালিগুণা, জাউঁলিনোলি, কানপেন্তী, কাণফুল, মলীঢ়ি, ঝুমুকা, টপ,ঝৰা

নাকৰ অলংকাৰ— দণ্ডি, নোথগুণা, নোথ, বসণী, ফুল, নকচণা, নুলুক, ডিম্ব, সিন্ধু, ফাল, মুক্তা

মূৰৰ অলংকাৰ— মল্লীকঢ়ি, মুকুতা, সীমন্থিনী, চউঁৰী মুণ্ড, ঝংক ডেউঁৰিআ, মথামণি

ডিঙিৰ অলংকাৰ— সৰুকণ্ঠি, চপাকঢ়ি, সুকিহাৰ, কুৰুজাতক, অধুলিহাৰ, মহুডমাল, মোতিমাল

হাতৰ অলংকাৰ— গজৰা, বটফল, বিদ, তিখা, চুড়ি পণি, তাইত, অনন্ত, ঝংকি

কঁকালৰ অলংকাৰ— গোঠ, অণ্টাসূতা

ভৰিৰ অলংকাৰ— বিদমুদি, বলা, পাউঁজ, ঝুণ্টিআ, মল, পাহুড়ি...ইত্যাদি।

**২.০৩.২ নাৰীৰ ভাষাত ৰন্ধন কাৰ্যৰ লগত জড়িত শব্দ:** ভাৰতীয় সমাজত নাৰীসকল বিশেষভাৱে ৰন্ধন কাৰ্যৰ লগত জড়িত। অসমীয়া আৰু উড়িয়া দুয়ো সমাজতে বিভিন্ন খাদ্য আদিৰ নাম নাৰীৰ মুখত সততে শুনা যায়। পুৰুষসকলক প্ৰায়ে ভোজনপ্ৰিয় হোৱা দেখা যায়। কিন্তু বহু খাদ্যৰ নাম বা ৰান্ধনিশালৰ লগত জড়িত শব্দ তেওঁলোকে নাজানে বা খুব কমকৈ ব্যৱহাৰ কৰে। অসমীয়া সমাজৰ খাদ্যত বিভিন্ন বন শাক আদি পোৱা যায়। এই শাকবোৰৰ নাম নাৰীৰ মুখতহে সততে শুনা পোৱা যায়—

আমলতা, পনৌনৌৱা, উৱালতা, নলটেঙা, মনোৱা, ভূটমূলা, গাখীৰতী লতা, কেতুৰী, মৰলীয়া, শুকলতি, মৌ শিলিখা, দোৰেণ বন, পছু চিকতি, মধুসোলেং, লেহেতী, টোলোঠা বন ইত্যাদি।

উড়িয়া নাৰী নিপুণ ৰান্ধনী। বিভিন্ন পৰম্পৰাগত খাদ্য ৰন্ধাত তেওঁলোক সিদ্ধহস্ত। উড়িয়া নাৰীৰ মুখত সততে শুনা পোৱা খাদ্য সম্পৰ্কীয় শব্দবোৰ এনে-

আৰিসা, মণ্ডা,ঘোৰমণ্ডা, এণ্ডুৰী, কাকৰা (পিঠা)

ছেনাপড়া, ছেনাপোড়, ঝিলি, খীৰসাগৰ, ডালিম্ব মিঠা (মিঠাই)

**২.০৩.৩ নাৰীৰ ভাষাত বয়ন শিল্প আৰু হাত চিলাইৰ লগত জড়িত শব্দ:** অসমীয়া নাৰীৰ ভাষাত বয়নশিল্পৰ লগত জড়িত বহুতো শব্দ ব্যৱহৃত হয়। এই শব্দবোৰ পুৰুষৰ ভাষাত অতি সীমিত পৰিমাণে ব্যৱহৃত হয়। তাঁতশালৰ লগত জড়িত এনে কেতবোৰ শব্দ প্ৰায়ে নাৰীৰ মুখতহে শুনা যায়—

মাকো, ঊঘা, মহুৰা, গৰকা, শালিকী, ৰাচ, ব তোলা, মহুৰা ফুৰোৱা, তাঁত বাতি ইত্যাদি।

উড়িয়া নাৰীৰ জীৱনৰ এক মুখ্য অংশ হৈছে হাত চিলাই। উষ্যিাৰ 'পিপিলি' নামে ঠাই এই হাতৰ কামৰ বাবেই প্ৰসিদ্ধ। উড়িয়া নাৰীৰ ভাষাত ব্যৱহৃত চিলাইৰ লগত জড়িত শব্দবোৰ হৈছে—

চান্দুআ, বটুআ, ছতি, ত্ৰাস ইত্যাদি।

**২.০৪ লিংগভিত্তিক ভাষা আৰু লোকসাহিত্য**

ভাষাৰ লোক-সাহিত্যিক ৰূপবোৰতো লিংগভেদে কিছুমান পাৰ্থক্য আহি পৰে। এই পাৰ্থক্যবোৰ হ'ল—

**২.০৪.১ লিংগভিত্তিক ফকৰা :** অসমীয়া আৰু উড়িয়া উভয় ভাষাৰ নাৰীৰ লগত জড়িত ফকৰাবোৰ এনেধৰণৰ—

কুলক্ষণা নাৰীৰ লক্ষণ সূচক ফকৰা—

অসমীয়া- ওলায় গৈয়া নাহে সকালে। তাইক দুষ্টা বোলে সকলে।।

উড়িয়া- সঙ্কৰাতি অমাৱস্যাৰে যে বান্ধই কেশ

স্বামী বিদেশ বেলৰে যে হুঅই বেশ।

অসমীয়া ভাষাত পোৱা নাৰীসূচক বিভিন্ন ফকৰাৰ উদাহৰণ কেইটামান হৈছে-

মাকে চাই মুখলৈ, তিৰীয়ে চাই হাতলৈ।

কটাৰী ভাল কৰে শিলে, তিৰোতা ভাল কৰে কিলে।

মাছে গৰকা পাচলি খাবা, শাহুৱে গৰকা বোৱাৰী বাবা।

আপোন ভালেই জগত ভাল, শাহু ভালেই বোৱাৰী ভাল।

ৰূপে কি কৰে, গুণেহে সংসাৰ তৰে।

খাবলৈ নাই পুঠি, তিৰোতাই বিচাৰে সোণৰ আঙঠি।

**২.০৪.২ লিংগভিত্তিক গীত-মাতঃ** অসম আৰু উৰিষ্যাৰ লোকগীতসমূহৰ মাজত কিছুমান বিশেষ সাদৃশ্য পৰিলক্ষিত হয়। দুয়ো ৰাজ্যৰে লোকগীতসমূহলৈ লক্ষ্য কৰিলে দেখা পাওঁ যে চহা জনসাধাৰণৰ আশা-আকাংক্ষা, আনন্দ-বেদনা এই গীতবোৰত ফুটি উঠিছে।

পুৰুষৰ ভাষাত ব্যৱহৃত লোকগীত অসম আৰু উৰিষ্যা উভয় ৰাজ্যতে পোৱা যায়। এই গীতবোৰৰ কেতবোৰ উদাহৰণ হৈছে—

অসমৰ মৈষাল গীতত আমি এনেদৰে পাওঁ -

"আগতে না কইছুং মৈষাল ৰে

অ' মৈষাল নাযান গাঙেৰ ভাটি

তুই মৈষাল মৰিয়া গেলে

কি হ'ব মোৰ গতি মৈষাল ৰে।"

একেই ভাৱনা উৰিষ্যাৰ মৈষাল গীততো দেখা পোৱা যায়। উড়িয়া মৈষাল গীতত এনেদৰে পোৱা যায়-

"চিতা কুটাইলু ওঠেৰে

চিতা কুটাইলু ওঠে

যাহা লাগি চিতা কুটাইথিলুৰে

ৰহিচি মইষিঁ গোঠে। "

আন এক প্ৰকাৰৰ পুৰুষৰ ভাষাৰ লগত জড়িত গীত হৈছে নাও খেলৰ গীত বা নাও চলোৱা গীত। অসমীয়া ভাষাত নাও খেলৰ গীতবোৰ পুৰুষৰ মুখত হে শুনা যায়। এনে এটি গীত হৈছে-

"বইঠা মাৰো বইঠা মাৰো

ও বাইসাল ভাইয়া ৰে ,

ঝাৰিয়া বইঠা মাৰিয়া যাওৰে।

এলা কোৰনা বাইসাল ভাইয়া ৰে,

ও নৌকা আউগায় আৰ পাউছায় ৰে।

সাবধানে বাও নৌকা ৰে,

ঝাৰিয়া নৌকা মাৰিয়া যাও ৰে।"

উড়িয়া জাতিটো পূৰ্বতে বণিক জাতি ৰূপেও প্ৰসিদ্ধ আছিল। তেওঁলোকে সাগৰৰ বুকুৰে নাওঁ মেলি দি বেপাৰৰ বাবে জাভা, বালি, সুমাত্ৰা আদি অঞ্চললৈও গৈছিলে। সেই স্মৃতিক লোকসমাজত বোৱাই উড়িয়া নাৰীয়ে আজিও নিজ পুখুৰীত কলপাত আৰু কলৰ ভূৰ উটুৱাই বিদেশ গমন কৰা স্বামীৰ মংগল কামনা কৰে। এই গীতবোৰ কেৱল উড়িয়া

নাৰীৰ মুখতহে শুনা যায়—

“আকামা বৈ, পানগুআ দেই

পান গুআ তোৰ, মাসক ধৰম মোৰ।”

আকৌ সেইদৰে বিয়াগীত বা বিয়ানাম অসম আৰু উৰিষ্যাৰ দুয়ো সমাজৰ নাৰীৰ মুখত শুনা যায়। বিয়ানামবোৰক নাৰী ভাষাৰ এক অবিচ্ছেদ্য অংগ বুলি ক'ব পাৰি। অসমীয়া ভাষাৰ নাৰীৰ ভাষাৰ এক উদাহৰণ দিয়া হৈছে-

“কামদেউৰ পুত্ৰ অ' মন তগৰ

গোবিন্দৰে নাতি অ' মন তগৰ

আনি দিয়া চিত্ৰলেখী অ' মন তগৰ

আজি শুদা হ'ব বাণৰে নগৰ।

**৩.০০ উপসংহাৰঃ** প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰপৰা বিভিন্ন স্তৰ অতিক্ৰমি আজি স্বকীয় ৰূপত আত্মপ্ৰকাশ কৰা অসমীয়া আৰু উড়িআ এই দুই ভাষাত যথেষ্ট সাদৃশ্য দেখা যায়। এই দুই ভাষাৰ মাজত লিংগভিত্তিক যি ভাষা ব্যৱহাৰ দেখা পোৱা যায় তাৰ সাদৃশ্যও আংশিকভাৱে আমাৰ গৱেষণা পত্ৰৰ মাজেৰে দেখা পোৱা গৈছে। এই সম্পৰ্কে এতিয়াও আৰু বহু অধ্যয়নৰ অৱকাশ আছে।

**প্ৰসংগ টোকা ঃ**

১। Coulmas Florian, Sociolinguistics, P.3

২। দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ। আধুনিক ভাষা বিজ্ঞান পৰিচয়। পৃ. ২০৫

৩। ঠাকুৰ, নগেন। ভাষা আৰু ভাষা চিন্তা। পৃ. ২০৭

৪। বৰুৱা, বিনীতা, 'লিংগভেদে ভাষাৰ ব্যৱহাৰ'। প্ৰবন্ধ। ভাষা বৈভৱ। পৃ. ১২৬

৫। দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ। আধুনিক ভাষা বিজ্ঞান পৰিচয়। পৃ. ২০৬

৬। শইকীয়া, নগেন। অসমীয়া মানুহৰ ইতিহাস। (সম্পা.) পৃ. ৫২

৭। Assam online portal, www.onlineassam.gov.in

৮। ফুকন পাটগিৰি, দীপ্তি। অসমীয়া, বাংলা, উড়িয়া ভাষা। পৃ. ৭

৯। সাহিদ, উমৰ। ওড়িশা পৰিচয়। পৃ.২

১০। পূৰ্বোক্ত গ্ৰন্থ। পৃ. ৩

১১। পূৰ্বোক্ত গ্ৰন্থ। পৃ. ৪

১২। পূৰ্বোক্ত গ্ৰন্থ। পৃ. ৪

১৩। পূৰ্বোক্ত গ্ৰন্থ। পৃ. ১২৮

১৪। ফুকন পাটগিৰি, দীপ্তি। অসমীয়া, বাংলা, উড়িয়া ভাষা। পৃ. ১৩

১৫। পূৰ্বোক্ত গ্ৰন্থ। পৃ. ১৫

১৬। দুৱৰা, সপোন। ভাষা আৰু সমাজ। পৃ. ৭০

১৭। দাস, বিশ্বজিৎ। অসমীয়া ভাষাৰ লিংগভিত্তিক পাৰ্থক্য। প্ৰবন্ধ। ভাষা সাহিত্য সংস্কৃতি বীথিকা। পৃ. ৯২

১৮। পূৰ্বোক্ত গ্ৰন্থ। পৃ. ৯৩

**প্ৰসঙ্গ**

**অসমীয়া ঃ**

কোঁৱৰ, অৰ্পণা। ***ভাষাবিজ্ঞান উপক্ৰমণিকা।*** গুৱাহাটী-১ঃ বনলতা, ২০০৮ [২০০২] ।

ঠাকুৰ, নগেন। ***ভাষা আৰু ভাষা চিন্তা।*** গুৱাহাটী-১ঃ বনলতা, ২০১১ [২০০৩] ।

দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ। ***আধুনিক ভাষা বিজ্ঞান পৰিচয়।*** গুৱাহাটী-১ঃ বনলতা, ২০০৬ ।

দুৱৰা, সপোন। ***ভাষা আৰু সমাজ।*** গুৱাহাটী-১ঃ ষ্টুডেণ্টচ ষ্ট'ৰচ, ২০০২।

ফুকন, পাটগিৰি, দীপ্তি। ***অসমীয়া, বাংলা, উড়িআ ভাষা।*** গুৱাহাটী-১ঃ বনলতা, ২০০৪ ।

শইকীয়া, নগেন। ***গৱেষণা পদ্ধতি পৰিচয়।*** ডিব্ৰুগড়-১ঃ কৌস্তুভ প্ৰকাশ, ২০১১[২০০৯]।

শইকীয়া, নগেন। ***অসমীয়া মানুহৰ ইতিহাস।*** সম্পা. গুৱাহাটী ঃ কথা, ২০১৩।

শৰ্মা, যমুনা আৰু মধুমিতা মিকিৰ। সম্পা. ***ভাষা বৈভৱ।*** বিনীতা বৰুৱা। 'লিংগভেদে ভাষাৰ ব্যৱহাৰ'। গুৱাহাটী-৭ঃ ময়ূৰ প্ৰকাশ, ২০০৯।

হাজৰিকা, লক্ষী (সম্পা.)। ***ভাষা সাহিত্য সংস্কৃতি বিথীকা।*** গুৱাহাটীঃ আঁক-বাক, ২০১১ ।

**ইংৰাজী ঃ**

Assam Online Portal, www.onlineassam.gov.in

F. Coulmas, ***Sociolinguistics- The Study of Speakers Choices,*** Cambridge University, Cambridge University Press, 2005.

Grierson, G.A. ***Linguistic Survey of India***. (pt. 1, Vol. 1 & Vol. 2, pt. 2). 1903.

Farmer, A. , & Harish, R. (Ed.) ***Linguistics : An Introduction to Language and Communication***. New Delhi : PHI Private Limited.

Pattnayak, D.P. ***Orissa, Oriya and The Multilingual Context.*** Bhubaneswar : Orissa Sahitya Akademi,2003.

Platt John T.Heidi K.Platt ***Social Significance of Speech***. Amsterdam: North Holland Publishing Company, New York: American Else Vier Publishing Company, 1975.

**ওড়িআ ঃ**

উমৰ, সাহিদ, ***ওড়িশা পৰিচয়।*** কটক ঃ এ.কে. মিশ্ৰ পাব্লিশৰ্স প্ৰাইভেট লিমিটেড, ২০১৪।

মহাপাত্ৰ, চক্ৰধৰ, ***ওড়িআ গ্ৰাম্য গীতি***। ভূৱনেশ্বৰ ঃ ওড়িশা সাহিত্য একাডেমী, ২০০৯ [১৯৫৮, ১৯৯১, ২০০৩] ।

মানসিংহ, মায়াধৰ। ***ওড়িআ সাহিত্যৰ ইতিহাস***। কটক-১ ঃ গ্ৰন্থমন্দিৰ, ২০১১।

ৰাউত, জ্যোৎস্না। ***ওড়িশা ও আসমৰ বৰ্ণিল লোকসংস্কৃতি***। ভূৱনেশ্বৰঃ পশ্চিমা পব্লিকেশনস্, ২০১০।

ৰাউত, জ্যোৎস্না। ***ওড়িআ ও অসমীয়া লোকসাহিত্য***। মহীশূৰ ঃ ভাৰতীয় ভাষা সংস্থাৰদ্বাৰা প্ৰকাশিত, ২০০৩।

সিংহ, জগবন্ধু । ***প্ৰাচীন উৎকল।*** ভূৱনেশ্বৰ ঃ ওড়িশা সাহিত্য একাডেমী, ২০১৩।